**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-10-2025
**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙে আজি তিনিচুকীয়াত নিৰাপত্তা বাহিনীৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। শ্ৰীসিঙে জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত সেনা বাহিনীৰ শীৰ্ষ বিষয়া, চোৰাংচোৰা বিষয়া, শদিয়া আৰু তিনিচুকীয়া আৰক্ষীৰ শীৰ্ষ বিষয়াৰ সৈতে আলোচনা কৰে। এই বৈঠকত শেহতীয়াকৈ তিনিচুকীয়াত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ কাৰ্যকলাপ বৃদ্ধি, সীমান্তৰ নিৰাপত্তা আৰু সেনা বাহিনীৰ শিবিৰত সংঘটিত আক্ৰমণ সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। বৈঠকৰ পাছত সাংবাদিকৰ আগত সঞ্চালক প্ৰধানগৰাকীয়ে আলফা স্বাধীনক আলোচনালৈ আহিবলৈ আহ্বান জনায়। তেওঁ আলোচনাৰ জৰিয়তে সমস্যা সমাধানৰ পোষকতা কৰে।

০০০০

বিশ্বনাথ জিলাৰ গহপুৰত নিৰ্মাণ হ'বলগীয়া ছহিদ কনকলতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণস্থলী আজি শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগুৱে পৰিদৰ্শন কৰে। অহা ৮ নৱেম্বৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে গহপুৰৰ ঐতিহ্যমণ্ডিত ভোলাগুৰি চাহ বাগিছাত এই বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিব। ৭৪০ বিঘা ভূমিত নিৰ্মাণ হ'বলগীয়া ৰাজ্যিক বিশ্ববিদ্যালয়খনত পৰম্পৰাগত বিষয়সমূহৰ লগতে কৃত্ৰিম বুদ্ধিমত্তা, ৰ'বটিক ছাইন্স, থ্ৰীডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও আধুনিক বিষয় অন্তৰ্ভুক্ত হ'ব। শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে আজি নিৰ্মাণস্থলী পৰিদৰ্শন কৰি কামৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে ৮ নৱেম্বৰৰ অনুষ্ঠানৰ পৰিস্থিতি সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত এই বিষয়ে এনেদৰে কয়।

বাইট

০০০০

লখিমপুৰ আৰক্ষীয়ে অভিযান চলাই ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত অৰুণাচল প্ৰদেশৰ নাহৰলগুনত আজি এজন লোকক গ্ৰেপ্তাৰ কৰে। পবিত্ৰ গগৈ নামৰ এই যুৱকজনৰ বিৰুদ্ধে লখিমপুৰ থানাত গোচৰ ৰুজু হৈ আছিল। যুৱকজনে উগ্ৰপন্থী সংগঠন আলফা স্বাধীনত যোগ দিয়াৰ বাবে আগ্ৰহ প্ৰকাশ কৰাৰ লগতে কেতবোৰ ৰাষ্ট্ৰ বিৰোধী কাম-কাজৰ প্ৰতিও আগ্ৰহী হোৱা বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। তেওঁ নিষিদ্ধ ঘোষিত সংগঠনৰ সদস্যৰ সৈতে সামাজিক মাধ্যমযোগে যোগাযোগ কৰাৰ তথ্য আৰক্ষীয়ে লাভ কৰিছে।

০০০০

গুৱাহাটীৰ পৰমানন্দ চৌধুৰী প্ৰেক্ষাগৃহত আজি সদৌ অসম উকিল সন্থাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত বিভিন্ন সাংগঠনিক বিষয়ৰ ওপৰত আলোচনা কৰাৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত দৃষ্টি ৰখাৰ বাবে বিশিষ্ট অধিবক্তাক লৈ এখন উচ্চস্তৰীয় পৰ্যবেক্ষন কমিটি গঠন কৰা হয়।

০০০০

১৯৮৫ চনৰ ২৪ মাৰ্চত আৰম্ভণি হোৱা গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগৰ কেবাগৰাকীও পূৰ্বৰ বিষয়া কৰ্মচাৰী আৰু বাতৰি পৰিবেশকৰ মনৰ ভাৱ আৰু অভিজ্ঞতাৰে আজি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত বাতৰি বিভাগৰ প্ৰাক্তন বিষয়া দেবেন তামুলী, মুকুল তালুকদাৰ আৰু শৈলেন্দ্ৰ দাসে প্ৰত্যাহ্বান নেওচি সীমিত সা-সুবিধাৰ মাজত প্ৰথম অৱস্থাত বাতৰি সম্প্ৰচাৰৰ আৰম্ভণিৰ অভিজ্ঞতাৰ কথা ব্যক্ত কৰে। অনুষ্ঠানত প্ৰাক্তন বাতৰি পৰিবেশিকা আৰতী কলিতা আৰু বিজু ভড়ালীয়ে সংকটপূৰ্ণ সময়তো ব্যক্তিগত আবেগ অনুভূতিৰ উৰ্ধলৈ লৈ বাতৰি পৰিবেশনৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰে। তদুপৰি বাতৰি পৰিবেশনৰ ক্ষেত্ৰত ভাষা আৰু উচ্চাৰণৰ গুৰুত্বৰ বিষয়েও প্ৰকাশ কৰে। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

ৰাজ্য চৰকাৰৰ শুশ্ৰুষা সেতু কাৰ্যসূচীৰ অধীনত আজি হাজো-শুৱালকুছি বিধানসভা সমষ্টিৰ ৰামদিয়াত বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰত ৩ সহস্ৰাধিক ৰোগীক চিকিৎসা প্ৰদান কৰাৰ লগতে দুশ গৰাকীতকৈ অধিক ৰোগীক উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়। হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া আৰু কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই শিবিৰ মুকলি কৰে।

শুশ্ৰূষা সেতুৰ অধীনত বিধানসভা সমষ্টিৰ ভিত্তিত বৃহৎ স্বাস্থ্য শিবিৰ আজি ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত বামুণবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হয়। টিংখাং সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী বিমল বৰাই এই স্বাস্থ্য শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

সাংসদ ৰঞ্জিত দত্তই বিশ্বনাথ জিলাৰ বিহালী বিধানসভা সমষ্টিত শুশ্ৰূষা সেতুৰ অধীনত বৃহৎ স্বাস্থ্য শিবিৰ মুকলি কৰে। এই স্বাস্থ্য শিবিৰত ১৮ বছৰ তলৰ শিশু, কিশোৰ-কিশোৰীৰ হৃদযন্ত্ৰ, স্নায়ুতন্ত্ৰ, যকৃৎ, চকুকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ বিনামূলীয়া পৰীক্ষা কৰা হয়। এই শিবিৰৰ জৰিয়তে প্ৰায় ৪ হাজাৰ ৰোগীক চিকিৎসা কৰা হৈছে বুলি যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ যোগেন চন্দ্ৰ বে'ই জানিবলৈ দিছে।

০০০০

অসম ৰাজ্যিক গ্ৰামীন জীৱিক অভিযানৰ অধীনত ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখাং বিধানসভা সমষ্টিৰ ৮০ গৰাকী জীৱিকা সখীক আজি মন্ত্ৰী বিমল বৰাই স্কুটী বিতৰণ কৰে। মহিলা সৱলীকৰণৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত এই স্কুটীসমূহ বিতৰণ কৰা হয়। মন্ত্ৰীগৰাকীয়ে সখীসকলক এই দুচকীয়া বাহনসমূহৰ সৎ ব্যৱহাৰ কৰি জনসাধাৰণৰ উন্নয়নৰ বাবে কাম কৰিবলৈ আহ্বান জনায়।

০০০০

দক্ষিণ শালমাৰা মানকাচৰৰ ফেকামাৰি আঞ্চলিক পঞ্চায়ত পুনৰ গঠনৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশ মৰ্মে আজি  জিলা প্ৰশাসনে এখন সভা অনুষ্ঠিত কৰে। এই সভাত নিৰ্বাচিত ১৮ জন সদস্যক

উপস্থিত থাকিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ দিছিল যদিও ১০ গৰাকী সদস্য উপস্থিত থকাৰ বাবে পঞ্চায়ত গঠন কৰিব পৰা নগ'ল। অহা ১৫ দিনৰ ভিতৰত জিলা প্ৰশাসনে আঞ্চলিক পঞ্চায়তখন গঠনৰ বাবে দ্বিতীয়খন সভা অনুষ্ঠিত কৰিব। উল্লেখযোগ্য যে, জিলাখনৰ প্ৰশাসনৰ উদ্যোগত শান্তিপূৰ্ণভাৱে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পাছত ২১ জুলাইত ফেকামাৰি আঞ্চলিক পঞ্চায়ত গঠন বাবে সভা অনুষ্ঠিত হৈছিল। সেইদিনা ৭ গৰাকী সদস্যই জাননী নোপোৱা বাবে অনুপস্থিত থাকি উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। ইয়াৰ বাবে উচ্চ ন্যায়ালয়ে পূৰ্বৰ সমিতি বাতিল কৰি নতুন সমিতি গঠনৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰি দিছিল।

oooo

**ঃঃ সমাপ্ত ঃঃ**